অসম

কলিয়াবৰৰ বৰঘূলীত মিনি ট্ৰাক আৰু বাইকৰ মুখামুখি সংঘৰ্ষ, গুৰুতৰভাৱে আহত এজন

কলিয়াবৰৰ বৰঘূলীত মিনি ট্ৰাক আৰু বাইকৰ মুখামুখি সংঘৰ্ষত শোণিতপুৰৰ এজন যুৱক গুৰুতৰভাৱে আহত হয়।

প্ৰকাশ: ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:২৭



Rider seriously injured in mini truck collision at Barghuli, Kaliabor (NewzNow)

কলিয়াবৰৰ বৰঘূলীত ভয়ংকৰ পথ দুর্ঘটনা: গুৰুতৰভাৱে আহত বাইক আৰোহী, পথ অৱৰোধ কৰি প্ৰতিবাদ

নগাঁও: নগাঁও জিলাৰ কলিয়াবৰৰ বৰঘূলীত সংঘটিত হৈছে এক ভয়ংকৰ পথ দুর্ঘটনা। এখন মিনি ট্ৰাক আৰু মটৰচাইকেলৰ মাজত হোৱা মুখামুখি সংঘর্ষৰ ফলত এজন বাইক আৰোহী গুৰুতৰভাৱে আহত হয়।

জানিব পৰা মতে, দুর্ঘটনাটোত আহত মটৰচাইকেল আৰোহীজনক শোণিতপুৰ জিলাৰ ছহিদুল ইছলাম বুলি চিনাক্ত কৰা হৈছে। বৰঘূলী অঞ্চলত মিনি ট্রাকখনৰ সৈতে বাইকখনৰ মুখামুখি সংঘর্ষ হোৱাৰ ফলতে এই দুর্ঘটনাটো সংঘটিত হয়। সংঘর্ষৰ ফলত বাইক আৰোহীজন গুৰুতৰভাৱে আঘাতপ্রাপ্ত হয়।

ইফালে, দুর্ঘটনাটোক কেন্দ্র কৰি অঞ্চলটোত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনাৰ পিছতে ক্ষুব্ধ স্থানীয় ৰাইজে চুলুং-লাওখোৱা পথ অৱৰোধ কৰি প্রতিবাদ সাব্যস্ত কৰে। পথ অৱৰোধৰ ফলত অঞ্চলটোত কিছু সময়ৰ বাবে যান-বাহনৰ চলাচল ব্যাহত হয়।

ঘটনা সন্দর্ভত খবৰ লাভ কৰাৰ লগে লগে চুলুং আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে স্থানীয় ৰাইজৰ সৈতে আলোচনা কৰি পৰিস্থিতি নিয়ন্ত্রণ কৰাৰ চেষ্টা চলায়।

দুর্ঘটনাটোৰ কাৰণ সন্দর্ভত সবিশেষ তথ্য এতিয়াও পোহৰলৈ অহা নাই। ঘটনাক কেন্দ্র কৰি অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/7098/kaliabor-barghuli-road-accident-injured